بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ نَحْمَدُهٗ وَنُصَلِّى عَلٰى رَسُوْلِهِ الْكَرِيْمِ وَعَلٰى عَبْدِهِ الْمَسِيْحِ الْمَوْعُوْد

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ২০ ডিচেম্বৰত মছজিদ মোবাৰক ইছলামাবাদ টলফোৰ্ড বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - যোৱা জুমাৰ খোতবাত চাহাবা সকলৰ চলন্ত বিৰৰণীত হজৰত উতবা বিন গজউৱান (ৰাঃ)ৰ বিষয়ে বৰ্ণনা চলি আছিল। তাৰেই আৰু কিছুমান কথা বাকী আছে যিবোৰ এতিয়া মই আপোনালোকৰ আগত বৰ্ণনা কৰিবলৈ ওলাইছো। আঁহজৰত (ছাঃ)য়ে চন ২ হিজৰিত নিজৰ পেহাত ভাই হজৰত আব্দুল্লাহ বিন জোহশ (ৰাঃ)ৰ নেতৃত্বত এটা দল নখলাৰ পিনে পঠোৱাই দিছিল। হজৰত উতবা (ৰাঃ)য়েও সেই দলত অংশগ্ৰহন কৰিছিল। আঁহজৰত (ছাঃ)য়ে এই সিদ্ধান্ত লৈছিল যে যাতে কেনেবাকৈ কুৰাইছ সকলৰ কাৰ্যক্ৰমনিকা আৰু পৰিকল্পনা সমুহ বেছি ওচৰৰ পৰা জানিব পৰা যায় আৰু যাতে ইয়াৰ বিষয়ে সকলো ধৰণৰ খা-খবৰ সময়মতে লাভ কৰিব পৰা যায় আৰু মদিনা সকলৰ ফালৰ পৰা আক্ৰমণ নিৰাপদ থাকে। গতিকে এই উদ্দেশ্য আঁহজৰত (ছাঃ)মুহাজেৰিণ সকলৰ আঠজনীয়া এটা দল গঠন কৰিছিল আৰু বিশেষকৈ এই দলটোত এনেকুৰা মানুহক লৈ লৈছিল, যি সকলে কুৰাইছ সকলৰ বিভিন্ন গোত্ৰৰ সৈতে সম্পৰ্কিত আছিল যে যাতে তেওঁলোকে কুৰাইছ সকলৰ গুপ্ত পৰিকল্পনাৰ খবৰ উদঘাটন কৰিবলৈ সহজ হয়। উক্ত দলটোত তেখেত (ছাঃ)য়ে নিজৰ পেহাত ভাই আব্দুল্লাহ বিন জুহাশ (ৰাঃ)ক আমিৰ নিযুক্ত কৰিছিল। কিন্তু আঁহজৰত (ছাঃ)য়ে এই দলটো প্ৰেৰণ কৰাৰ সময়ত এয়া কোনো নাছিল যে তেওঁলোকক কলৈ আৰু কি উদ্দেশ্য প্ৰেৰণ কৰা হৈ আছে। যাত্ৰা পথত তেওঁলোকৰ হাতত এখন মোহৰকৃত খামত পত্ৰ এখন ধৰাই দিয়া হৈছিল আৰু কোৱা হৈছিল যে এই পত্ৰখনত তোমালোকৰ বাবে লিখি দিয়া আছে। তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল যে যেতিয়া তোমালোকৰ মদিনাৰ পৰা দুদিনৰ বাট অতিক্ৰম কৰিবা তেতিয়া এই পত্ৰ খুলি চাই ইয়াত লিখা নিৰ্দেশ অনুযায়ী পদক্ষেপ লৱা। যেতিয়া তেওঁলোকে দুদিনৰ বাট অতিক্ৰম কৰি গৈছিল তেতিয়া আব্দুল্লাহ বিন জুহশ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ সেই নিৰ্দেশ পত্ৰ খুলি চাই দেখিছিল যে পত্ৰত লিখা আছে তোমালোকে তায়েফ আৰু মক্কাৰ মধ্যবৰ্ত্তী ঠাই নখলালৈ যোৱা আৰু তাতগৈ কুৰাইছ সকলৰ গতি-বিধিৰ (অৱস্থাৰ)গম লোৱা আৰু মোলৈ তাৰ বিতং খবৰ প্ৰেৰণ কৰা। ইয়াৰ পিছত দলটোৱে নখলাৰ পিনে যাবলৈ যাত্ৰা আৰম্ভ কৰে। বাটত ছঈদ বিন আবি উকাচ আৰু উতবা বিন গজউৱানৰ উট হেৰুৱাই গৈছিল আৰু তেওঁলোকে সেই উট বিচাৰিবলৈ গৈ নিজৰ লগৰীয়া সকলক হেৰুৱাই পেলাইছিল। বহুত বিচাৰি ফুৰাৰ পিছতও নিজৰ সংগী বৃন্দক লগ পোৱা নাছিল। ইয়াৰ পিছত দলটো যি ৰৈ আছিল তাত লোক সংখ্যা আছিল মাত্ৰ ছয় জন।

মুছলমান সকলৰ এই সৰু জামাত নখলাত গৈ উপস্থিত হৈছিল আৰু নিজৰ কামত ব্যাস্ত হৈ পৰিছিল। এওঁলোকৰ কিছুমান গোপনীয়তা ৰক্ষাৰ্থে ছদ্মবেশী ৰূপ লবলৈ নিজৰ মূৰৰ চুলি খুৰাই লৈছিল যাতে অনুসন্ধান কাৰী সকলে তেওঁলোকক উমৰা কৰাৰ নিমিত্তে অহা বুলি ভাৱি কোনো ধৰণৰ সন্দেহ প্ৰৱণ নহয়। কিন্তু হঠাৎ এদিন কুৰাইছ সকলৰ এটা সৰু কাফেলা তাত আহি উপস্থিত হৈছিল, যি সকলে তায়েফৰ পৰা মক্কালৈ গৈ আছিল। তেতিয়া দুয়োটা জমাতৰেই মুখা-মুখি দেখা-দেখি হৈ গৈছিল। তেতিয়া মুছলমান সকলে নিজৰ মাজত আলোচনা কৰিছিল যে এতিয়া কি উপায় কৰিব পৰা যায়। আঁহজৰত (ছাঃ)য়ে আমাক গুপ্তচৰ হিচাপে খবৰ নিবলৈহে পঠাইছে, কোনো ধৰণৰ আক্ৰমনৰ বাবে পঠোৱা নাই আৰু এতিয়া দেখোন দুয়োটা দল মুখা মুখি হৈ পৰিলো। এতিয়া সন্দেহ আছে যে যিহেতু কুৰাইছ কাফেলাই আমাক দেখি পেলাইছে গতিকে ৰহস্য আৰু গোপন থাকিব নোৱাৰে। আনফালে মুছলমান সকলে ভাৱিছিল যে এয়া ৰজবৰ দিন চলি আছে। আৰবৰ প্ৰাচীন পৰম্পৰা অনুযায়ী এই দিনবোৰত চহৰ হাৰামৰ অঞ্চলত কোনো ধৰণৰ লড়াই হব নোৱাৰে। ইফালে নখলাৰ এই ঠাইখন হৰাম অঞ্চলৰ সীমান্তত অৱস্থিত আনফালে সমস্যা হল যদি আজি ইয়াত কোনো ধৰণৰ সিদ্ধান্ত লোৱা নহয় তেন্তে অহাকালি এই কাফেলা গৈ হৰাম অঞ্চলত প্ৰৱেশ কৰিব আৰু ইয়াৰ পবিত্ৰতা ৰক্ষা কৰিব লাগিব। গতিকে এই সকলোবোৰ কাৰণ চিন্তা কৰি মুছলমান সকলে অৱশেষত এয়া সিদ্ধান্ত লৈছিল যে উক্ত কাফেলাৰ ওপৰত আক্ৰমণ চলাই বধ কৰা যাওঁক নতুবা

সিহঁতক কৰায়ত্ত কৰি লোৱা যাওঁক। এই সিদ্ধান্ত স্থিৰ কৰি মুছলমান সকলে সেই কুৰাইছৰ সৰু দলটোৰ ওপৰত আক্রমণ চলাই যাৰ ফলত কাফিৰ সকলৰ এজন লোক নিহত হৈছিল আৰু দুজনক বন্দী কৰি লৈছিল, বাকী চতুৰ্থজন পলাই গুচি গৈছিল। কিন্তু মুছলমান সকলে তাক ধৰিব পৰা নাছিল। এনেদৰে এওঁলোকৰ পৰিকল্পনা ব্যাৰ্থ হৈ পৰিছিল। এই ঘটনাৰ অন্তত মুছলমান সকলে উক্ত কাফিৰৰ দল টোৰ বয়বস্তু, কৰি লৈছিল। যিহেতু কুৰাইছ সকলৰ এজন লোক প্ৰাণ লৈ পলাই গৈছিল সেয়ে এয়া নিশ্চিত ঠিক আছিল যে এই লড়াইৰ খবৰ অতি সোনকালে মক্কাত বিয়পি পৰিব। আব্দুল্লাহ বিন জুহশ (ৰাঃ) আৰু তেখেতৰ সংগীবৃন্দই সেই যুদ্ধ লব্ধ সামগ্রী (মালে গণিমত)সামৰি লৈ অতি খৰধৰকৈ মদিনালৈ ওভতি আহিছিল। যেতিয়া এই জামাত আঁহজৰত (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হৈছিল আৰু সকলো বিৱৰি শুনাইছিল তেতিয়া তেখত (ছাঃ)য়ে বৰ অসন্তুষ্ট প্ৰকাশ কৰিছিল আৰু কৈছিল যে মই তোমালোকৰ হৰাম চহৰত লড়াই কৰিবলৈ অনুমতি দিয়া নাছিলো আৰু আঁহজৰত (ছাঃ)য়ে সেই গণিমতৰ মাল গ্ৰহন কৰিবলৈ অস্বীকাৰ কৰিছিল। তেতিয়া হজৰত আব্দুল্লাহ আৰু তাৰ লগৰীয়া সকলে বৰ দুঃখিত আৰু উদাস হৈ পৰিছিল আৰু তেওঁলোকে ধাৰণা কৰিছিল যে হয়তো আমি খোদা আৰু তাৰ ৰছুলৰ অসন্তুষ্টিৰ কাৰণে ধ্বংস হৈ গলো। বাকী চাহাবা সকলেও এওঁলোকক কঠোৰ সমালোচনা কৰিছিল যে এয়া তোমালোকে কি কৰিছা !

ইফালে কুৰাইছ সকলে চিঞৰ বাখৰ লগাইছিল যে মুছলমান সকলে হৰাম চহৰ পবিত্ৰতা বিনষ্ট কৰিছে। এই লড়াইত যিজন লোক নিহত হৈছিল অৰ্থ্যাৎ উমৰু বিন আলহুজৰমি এজন সম্ভ্ৰান্ত লোক আছিল আৰু এওঁ উতবা বিন ৰবিয়াৰ (মক্কাৰ এজন চৰদাৰ) বন্ধু আছিল। গতিকে এই ঘটনাই কুৰাইছ সকলৰ ক্ৰোধাগ্নি জ্বলি উঠিছিল যাৰ ফলস্বৰূপে তেওঁলোকে আগতকৈ বেছি সক্ৰিয়তাৰে মদিনাৰ ওপৰত আক্ৰমণ চলোৱাৰ প্ৰস্তুতি আৰম্ভ কৰে। মুঠতে এই ঘটনাৰ পিছত মুছলমান আৰু কাফিৰ সকলৰ মাজত তীক্ষ্ণ শত্ৰুতা বাঢ়ি গৈছিল আৰু এই উপলক্ষেই কোৰ-আন কৰিম নিম্নোক্ত আয়াত অৱতীৰ্ণ হৈছিল আৰু যাৰ ফলত মুছলমান সকলে শান্তি আৰু প্ৰবোধ লাভ কৰিছিল। সেই আয়াতখন হল “ইয়াছ আলুনাকা আনিশ্বাহৰিল হাৰামি কিতালিন ফিহি, কুল কিতালুন ফিহি কাবিৰুন, ওয়া চাদ্দুন আন ছাবি লিল্লাহি ওয়া কুফৰুম বিহি ওয়াল মাছজিদিলহাৰামি ওয়া ইখৰাজু আহলিহি মিনহু আকবাৰু ইনদাল্লাহি, ওয়াল ফিতনাতু আকবাৰু মিনাল কাতলি, ওয়ালা ইয়াজালুনা ইউ কাতিলুনাকুম হাত্তা ইয়াৰুদ্দুকুম আন দ্বীনিকুম ইনিছতাতাউ” । অৰ্থ্যাৎ লোক সকলে তোমাক প্ৰশ্ন কৰিব হৰাম চহৰত লড়াই কৰা কেনেকুৱা হব ? তুমি সিহঁতক কোৱা যে চহৰ হৰামত লড়াই কৰা নিঃসন্দেহে বেয়া কথা কিন্তু হৰাম চহৰত খোদা তায়ালাৰ দ্বীনলৈ লোকৰ বাধা প্ৰদান কৰা বৰং চহৰ হৰামত আৰু মছজিদ হৰাম দুয়োৰে কুফৰ কৰা, অৰ্থ্যাৎ ইয়াৰ পবিত্ৰতা নষ্ট কৰা আৰু আকৌ হৰাম অঞ্চলৰ পৰা ইয়াৰ বাসিন্দা সকলক খেদি দিয়া; হে মুশৰিক সকল ! যেনেকৈ তোমালোকে কৰি আছা ; এই সকলো কাৰ্য্য; এই সকলোবোৰ কাৰ্য্য খোদা তায়ালাৰ সমীপত চহৰ হৰামত লড়াই কৰাতকৈ বেছি দোষনীয়; আৰু নিশ্চয় চহৰ হৰামত দেশৰ আভ্যান্তৰীন বিবাদৰ জন্ম দিয়া; সেই হত্যাকাণ্ডতকৈ বেছি দোষনীয়, যি বিবাদ নিষ্পত্তিৰ বা বাধা দিয়াৰ পৰিপ্ৰেক্ষিতে সংগঠিত কৰা হয় আৰু হে মুছলমান সকল; কাফিৰ সকলৰ দেখোন এনে মনোভাৱ যে সিহঁতে তোমালোকৰ সৈতে শত্ৰুতাত ইমানেই অন্ধ হৈ পৰিছে যে যিকোনো সময়তে আৰু যিকোনো ঠাইতেই, সিহঁতে তোমালোকৰ লগত কাজিয়া কৰিবলৈ নেৰে আৰু তেওঁলোকে নিজৰ এই কাজিয়া চলাই থাকিব; যেতিয়ালৈকে সিহঁতে তোমালোকক তোমালোকৰ দ্বীনৰ পৰা আতঁৰাই নলয়; চৰ্ত হল যদি সিহঁতে এয়া কৰিবলৈ সামৰ্থ আৰু শক্তি পায়।

গতিকে আল্লাহ তায়ালাৰ এই সমাধান যোগ্য উত্তৰত মুছলমান সকলে প্ৰশান্তি লভিছিল, কুৰাইছ সকলেও অলপ শান্ত পৰিছিল আৰু সেই সময়ছোৱাতেই সিহঁতৰ লোকে নিজৰ লোক দুজনক বন্ধী মুক্ত কৰিবলৈ মদিনাত আহি উপস্থিত হৈছিল কিন্তু ইফালে তেতিয়াও ছঈদ বিন আবি উকাছ আৰু উতবা বিন গজউৱান মদিনাত আহি পোৱা নাছিল। তেতিয়া আঁহজৰত (ছাঃ)য়ে তেওঁলোক দুয়োৰে সম্পৰ্কে সন্দিহান হৈ পৰিছিল যে কিজানি তেওঁলোক দুয়োজন যদি কুৰাইছ সকলৰ হাতত পৰি যায় তেন্তে কুৰাইছ সকলে তেওঁলোকক জীৱিত এৰি নিদিয়ে। সেই কাৰণে আঁহজৰত (ছাঃ)য়ে এওঁলোক দুজন মদিনালৈ ঘুৰি নহালৈকে কয়েদী দুজনক এৰি দিবলৈ সম্মত হোৱা নাছিল আৰু কৈছিল যে মোৰ মানুহ দুজন ভালে ভালে আহি মদিনা পালেহে মই তোমালোকক এৰি দিম। গতিকে যেতিয়া এই চাহাবা দুজন আহি মদিনাত উপস্থিত হৈছিল তেতিয়া তেখেত (ছাঃ)য়ে উপযুক্ত ফিদিয়া লৈ দুয়ো কয়েদীক এৰি দিছিল। কিন্তু সেই কয়েদী দুজনৰ এজনে মদিনাত থকা কালীন অৱস্থাত

আঁহজৰত (ছাঃ)ৰ উত্তম চৰিত্ৰ আৰু ইছলামী শিক্ষা নীতিৰ সত্যতাত ইমানে প্ৰভাৱিত হৈ পৰিছিল যে তেওঁ মুক্তি লাভ কৰিও মক্কালৈ ওভতি যাবলৈ অস্বীকাৰ কৰিছিল। পিছত আঁহজৰত (ছাঃ)ৰ হাতত মুছলমান হৈ তেখেত (ছাঃ)ৰ হালকা বগুছত অন্তৰভুক্ত হৈ পৰিছিল। অৱশেষত এই লোকজনে বীৰে মাউনাৰ সংঘৰ্ষত শ্বাহাদত বৰণ কৰিছিল।

হজৰত উতবা বিন গজউৱান (ৰাঃ)য়ে যুদ্ধ বদৰৰ পৰা লৈ সকলো সমৰত আঁহজৰত (ছাঃ)ৰ লগত যোগেদি ৰণ ভূমিত উপস্থিত থকাৰ সৌভাগ্য লাভ কৰিছিল। হজৰত উতবা বিন গজউৱান (ৰাঃ)ৰ ৰছুলুল্লাহ (ছাঃ)ৰ বাছনি কৰা দক্ষ তীৰ আন্দাজী সকলৰ ভিতৰত এজন আছিল। হজৰত উমৰ (ৰাঃ)য়ে হজৰত উতবা (ৰাঃ)ক বছৰাৰ ভূমি অঞ্চললৈ প্ৰেৰণ কৰিছিল যাতে তেখেত তেখেত (ৰাঃ)য়ে উবুলতাৰ জনসাধাৰণ অৰ্থ্যাৎ যি সকল ফাৰচৰ লোক, তেওঁলোকৰ সৈতে লড়াই কৰে। হজৰত উমৰ (ৰাঃ)য়ে হজৰত উতবা বিন গজউৱান (ৰাঃ)ক আঠশ লোকৰ এটা ফৌজৰ সৈতে বছৰালৈ প্ৰেৰণ কৰিছিল। পিছত আৰু সৈন্য সহায়ৰ নিমিত্তে প্ৰেৰণ কৰিছিল। হজৰত উতবা বিন গজউৱান (ৰাঃ)য়ে উবুলতাহ বিজয় কৰিছিল আৰু তাত বছৰা চহৰৰ সীমা নিৰ্দ্ধাৰণ কৰি দিছিল। এখেত (ৰাঃ)য়েই আছিল প্ৰথমজন ব্যাক্তি যিজন বছৰা চহৰৰ প্ৰতিষ্ঠা কৰিছিল। হজৰত উমৰ বিন খাত্তাব (ৰাঃ)য়ে যেতিয়া হজৰত উতবা বিন গজউৱান (ৰাঃ)ক বছৰাৰ শাসক নিযুক্ত কৰিছিল তেতিয়া তেখেতে খৰিবা নামৰ ঠাইত অৱস্থান কৰিছিল। হজৰত উতবা (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ নামত পত্ৰ লিখিছিল যে মুছলমান সকলৰ বাবে এনেকুৱা এখন ঠাই ইয়াত নাই যত এওঁলোকে শীতৰ সময়খিনি কটাব পাৰে আৰু যুদ্ধৰ পৰা ওভতি আহি অৱস্থান কৰিব পাৰে। হজৰত উমৰ (ৰাঃ)য়ে হজৰত উতবা (ৰাঃ)ক লৈ লিখিছিল যে তেওঁলোকক এনেকুৱা এখন ঠাইত সমবেত কৰা যত পানী আৰু চৰনীয়া পথাৰ ওচৰত আছে। তেতিয়া হজৰত উতবা (ৰাঃ)য়ে মুছলমান সকলক বছৰাত লৈ আনি ঠাই দিছিল। ইয়াৰ পিছত হজৰত উতবা (ৰাঃ)য়ে হজ্ব কৰিবলৈ ওলোৱাৰ সময়ত মুজাশা বিন অছুদক নিজৰ দায়িত্ব ভাৰ অৰ্পন কৰি দিছিল আৰু তেখেতক ফুৰাতৰ ফালে যাবলৈ নিৰ্দেশ দিছিল। আনহাতে হজৰত মুগিৰা বিন শঙ্গবাক নমাজৰ ইমামতি কৰিবলৈ নিৰ্দেশ দিছিল। হজৰত উতবা (ৰাঃ)য়ে যেতিয়া হজৰত উমৰ (ৰাঃ)ৰ ওচৰত গৈ উপস্থিত হৈছিল তেতিয়া তেখেত (ৰাঃ)য়ে বছৰাৰ শাসক পদৰ পৰা ইস্তেফা দিব বিচাৰিছিল। কিন্তু হজৰত উমৰ (ৰাঃ)য়ে এখেত (ৰাঃ)ৰ ইস্তেফাৰ অনুমতি দিয়া নাছিল। তেতিয়া তেখেত (ৰাঃ)য়ে দোৱা কৰিছিল যে হে আল্লাহ ! তুমি মোক সেই চহৰলৈ আৰু ঘুৰাই লৈ নাযাবা। ইয়াৰ পিছতেই এখেত (ৰাঃ)য়ে নিজৰ আৰোহী বাহনৰ পৰা বাগৰি পৰিছিল আৰু ১৭ হিজৰিত তেখেত (ৰাঃ)ৰ মৃত্যু হৈছিল। হজৰত উতবা (ৰাঃ)ৰ মুত্যুৰ পিছত তেখেতৰ দাস ছোৱেদে হজৰত উতবা (ৰাঃ)ৰ বস্তু বাহিনী আৰু মাল হজৰত উমৰ (ৰাঃ)ৰ ওচৰলৈ লৈ আনিছিল। হজৰত উতবা (ৰাঃ)ৰ ৫৭ বছৰ বয়স হৈছিল। তেখেত (ৰাঃ) ওখ আৰু দেখিবলৈ ধুনীয়া সুধাম পুৰুষ আছিল।

ইয়াৰ পিছৰজন চাহাবী যাৰ বিষয়ে এতিয়া উল্লেখ কৰা হব তেখেতৰ নাম হল হজৰত ছঈদ বিন আবাদা (ৰাঃ)। আবু ছাবিত এখেতৰ কুনিয়াত আছিল। হজৰত ছঈদ বিন আবাদা চৰদাৰ আৰু দানশীল ব্যাক্তি আছিল। সকলো যুদ্ধতেই আনছাৰ সকলৰ মাজত জয়গীৰদাৰ আছিল আৰু এখেতৰ চৰদাৰী এখেতৰ সম্প্ৰদায়ে মানি লৈছিল। হজৰত ছঈদ বিন আবাদা সেই অজ্ঞতাৰ যুগতেই আৰবী লিখিবলৈ জানিছিল। মুঠতে সেই সময়ত খুব কম লোকেই লিখিবলৈ জানিছিল। এখেত (ৰাঃ)য়ে সাতুৰিব জানিছিল আৰু তীৰ আন্দাজীত পাৰ্গত আছিল। এইবিলাক বিদ্যাত যিজন লোক পাৰ্গত আছিল সেই যুগত তেখেতক বীৰ পুৰুষ বুলি জনা গৈছিল। হিশাম বিন উৰৱাহ নিজৰ দেউতাকৰ পৰা শুনি বৰ্ণনা কৰিছে যে তেওঁৰ দেউতাকে কৈছে যে মই ছঈদ বিন আবাদাক সেই সময়ত লগ পাইছিলো যেতিয়া তেওঁ নিজৰ কিল্লাত মাতি দিছিল যে যিজনে চৰ্বিযুক্ত মাংস ভাল পায় তেওঁ ছঈদ বিন আবাদাৰ ওচৰলৈ আহক। মই তৰ পুতেক জনকও এনেদৰে মানুহক নিমন্ত্ৰণ জনোৱা অৱস্থাত লগ পাইছিলো। হজৰত ছঈদ বিন আবাদা বয়াতে উকবা ছানিৰ সময়ত ইছলাম গ্ৰহন কৰিছিল। ছিৰাত খাতামান্নাবীঁন কিতাপত তেখেত (ৰাঃ)ৰ অৱস্থা সম্পৰ্কে এনেদৰে বৰ্ণনা কৰিছে যে ১৩ নবুবীৰ জিলহজ্ব মাহত হজ্বৰ সময়ত আউচ আৰু খজৰজ কবিলাৰ কিছুমান মানুহ মক্কালৈ আহিছিল। তেওঁলোকৰ মাজত ৭০ জন ব্যাক্তি এনেকুৱা আছিল যে যিসকলে সম্ভৱত মুছলমান হৈছিল আৰু নাইবা মুছলমান হব বিচাৰিছিল।

আঁহজৰত (ছাঃ)য়ে মুচা আবৰ পৰা আনছাৰ সকল মক্কালৈ অহাৰ কথা গম পাইছিল আৰু তেওঁলোকৰ পৰা কিছুমানে আহি অকলশৰীয়া ভাৱে আঁহজৰত (ছাঃ)ৰ লগত সাক্ষাৎ কৰিছিল। যিহেতু সেই সময়ত এই আনছাৰ লোক সকলৰ লগত

পৃথক ভাৱে আলোচনাত বহাৰ প্ৰয়োজন আছিল সেয়ে পৰাম্পৰাগত হজ্বৰ পিছতেই জিলহজ্ব মাহৰ মধ্যবৰ্ত্তী তাৰিখ ধাৰ্য্য কৰা হৈছিল যে সেই দিনাখনৰ মাজ নিশা এওঁলোকে যোৱা বছৰ মিলিত হোৱা ঘাটিত আহি যেন আঁহজৰত (ছাঃ)ৰ লগত সাক্ষাৎ কৰে। সেই মতেই নিৰ্দ্ধাৰিত তাৰিখৰ দিনা ৰাতি আঁহজৰত (ছাঃ)য়ে অকলে ঘৰৰ পৰা ওলাই পৰিছিল আৰু বাটৰ পৰা নিজৰ খুৰা আববাছক লগত লৈ লৈছিল। হজৰত আববাছ (ৰাঃ) তেতিয়া মুশৰিক আছিল যদিও আঁহজৰত (ছাঃ)ক বৰ ভাল পাইছিল। এনেদৰে দুয়ো মিলি সেই ঘাটিত গৈ উপস্থিত হৈছিল। আনছাৰ সকলেও এজন দুজনকৈ তাত আহি উপস্থিত হৈছিল। সৰ্বপ্ৰথম হজৰত আববাছ কথা কবলৈ আৰম্ভ কৰিছিল। তেখেতে কৈছিল হে খজৰজ সম্প্ৰদায় মহম্মদ (ছাঃ) নিজৰ বংশ মৰ্যাদাত উচ্চ মৰ্যাদা সম্পন্ন আৰু প্ৰিয় আৰু সেই বংশই আজিও ইয়াত নিৰাপত্তাৰ জমিন লৈ আছে আৰু সকলো ধৰণৰ বিপদতৰ ক্ষেত্ৰত বকু পাতি দিবলৈ সাজু আছে। কিন্তু মহম্মদ (ছাঃ) আজি নিজৰ মাতৃভুমি এৰি তোমালোকৰ ওচৰত যোৱাৰ সিদ্ধান্ত লৈছে। গতিকে যদি তোমালোকে এওঁক নিজৰ ওচৰলৈ নিব ইচ্ছা কৰা তেন্তে তোমালোকে এওঁক সকলো প্ৰকাৰে নিৰাপত্তা দিব লাগিব আৰু সকলো শত্ৰুৰ আগত বুকু পাতি ৰক্ষা কৰিব লাগিব। গতিকে যদি তোমালোকে এই চৰ্তলৈ সাজু আছা তেন্তে ভাল আৰু যদি নহয় তেন্তে এতিয়াই স্পষ্ট জনাই দিয়া কাৰণ স্পষ্টবাদীতা অতি উত্তম। আলবৰাআ বিন মাৰুৰ যিজন আনছাৰ কবিলাৰ এজন বৃদ্ধ আৰু প্ৰভাৱশালী বুজুৰ্গ আছিল। তেখেতে উত্তৰ দিছিল যে - হে আববাছ আমি তোমাৰ কথা শুনিছো কিন্তু আমি বিচাৰো যে ৰছুলুল্লাহ (ছাঃ)য়ে নিজ মুখেৰে কিবা কওঁক আৰু যি দায়িত্ব আমাক দিব বিচাৰে সেয়া আমাক জনাই দিয়ক। তেতিয়া আঁহজৰত (ছাঃ)য়ে কোৰ-আন কৰিমৰ কেইটামান আয়াত তিলওয়াত কৰিছিল আৰু চমু আকাৰে ইছলামী শিক্ষা সম্পৰ্কে ভাষন আগবঢ়াইছিল। সেই ভাষনত হকুকুল্লাহ আৰু হকুকুল ইবাদ সম্পৰ্কে এটা ব্যাখা আগবঢ়াইছিল কৈছিল যে মই নিজৰ বাবে কেৱল মাত্ৰ ইখিনি বিচাৰো যে যেনেকৈ তোমালোকে নিজৰ আত্মীয় সকলক নিৰাপত্তা দিয়া ঠিক তেনেদৰে যদি প্ৰয়োজন হয় মোৰ লগতও আচৰণ কৰিবা। যেতিয়া তেখেত (ছাঃ)য়ে নিজৰ ভাষনৰ সামৰণি টানিছিল তেতিয়া আলবৰাআ বিন মাৰুৰ আৰবৰ ৰীতি অনুযায়ী আঁহজৰত (ছাঃ)ৰ হাত নিজৰ হাতৰ মাজত লৈ কৈছিল ইয়া - ৰছুলুল্লাহ ! আমাক সেই খোদা তায়ালাৰ কছম যিয়ে আপোনাক সত্যৰে সৈতে প্ৰেৰণ কৰিছে। আমি নিজৰ প্ৰাণৰ দৰে আপোনাক হিফাজত কৰিম। আমি তৰোৱালৰ ছত্ৰ ছায়াত ডাঙৰ দীঘল হৈছো। আল বৰাআ বিন মাৰুৰ (ৰাঃ)ৰ কথা শেষ নহওঁতেই আবুল হিশাম বিন তিহানে এখেতৰ কথা চেৰ পেলাই কৈছিল - ইয়া ৰছুলুল্লাহ (ছাঃ) ইয়াছৰিবৰ ইহুদী সকলৰ সৈতে আমাৰ বহুদিনৰ পিছত ভাল সম্পৰ্ক গঢ়ি উঠিছে। আপোনাৰ সংগ ললে তেওঁলোক আতঁৰি যাব। এনেকুৱা নহয়তো যে যেতিয়া আল্লা তায়ালা আপোনাৰ বিজয় দান কৰিব তেতিয়া আপুনি আমাক এৰি স্বদেশলৈ ঘুৰি আহিব তেতিয়া আমি নো ইফালে না সিফালে থাকিম ? এয়া শুনি আঁহজৰত (ছাঃ)য়ে হাঁহি হাঁহি কৈছিল নহয়, এনেকুৱা কেতিয়াওঁ নহয় ! তোমালোকৰ ৰঙাল তেজেই মোৰ তেজ হব । তোমালোকৰ বন্ধু মোৰও বন্ধু হব। তোমালোকৰ শত্ৰু মানেই মোৰ শত্ৰু হব। এয়া শুনি আববাছ বিন আবাদা আনছাৰিয়ে নিজৰ লগৰীযা সকলৰ ফালে দৃষ্টি নিক্ষেপ কৰি কৈছিল হে লোক সকল ! তোমালোকে বুজি পাইছানে এই শপতৰ অৰ্থ কি ? ইয়াৰ অৰ্থ হল এয়া যে তোমালোকে এতিয়া প্ৰত্যেক বিপদ আপদৰ সন্মুখীন হবলৈ সাজু হৈ যোৱা। তেতিয়া লোকে উত্তৰ দিছিল যে হয় আমি সেয়া জানো। কিন্তু ইয়া ৰছুলুল্লাহ ইয়াৰ পৰিবৰ্তে আমি কি পাম ? তেখেত (ছাঃ)য়ে কৈছিল যে তোমালোকে খোদা তায়ালাৰ জান্নাত লাভ কৰিবা, যি সকলো পুৰষ্কাৰতকৈ উত্তম পুৰুস্কাৰ। সকলোৱে কৈছিল যে আমি এই ক্ৰয় মনজুৰ কৰি ললোঁ। ইয়া ৰছুলুল্লাহ আপোনাৰ হাত আগবঢ়াই দিয়ক। তেখেত (ছাঃ)য়ে নিজৰ হস্থ মোবাৰক আগবঢ়াই দিছিল আৰু সত্তৰজন প্ৰাণ উচ্ছগীৰ জমাতে এক প্ৰতিৰক্ষী চুক্তিত তেখেত (ছাঃ)ৰ হাতত বিক্ৰি হৈ গৈছিল। এই বয়াতৰ নামেই হল বয়াতে উকবা ছানিয়া।

যেতিয়া বয়াতৰ অনুষ্ঠান পৰ্ব শেষ হৈছিল তেতিয়া তেখেত (ছাঃ)য়ে তেওঁলোকক কৈছিল যে মুছা (আঃ)য়ে নিজৰ সম্প্ৰদায়ৰ পৰা ১২ জন প্ৰতিনিধি নিৰ্বাচিত কৰিছিল, যি সকলে মুছাৰ ফালৰ পৰা তেওঁলোকৰ নিৰাপত্তাৰ লাভ হৈছিল। মইও তোমালোকৰ পৰা বাৰজন নেতা নিযুক্ত কৰিব বিচাৰো, যি সকলে তোমালোকৰ নিৰাপত্তাৰ দায়িত্ব লব আৰু তেওঁলোকে মোৰ বাবে ইছাৰ হাওৱাৰি সকলৰ দৰে হব আৰু মোৰ আগত নিজৰ সম্প্ৰদায় সম্পৰ্কে সকলো প্ৰশ্নৰ জবাব দিব লাগিব। গতিকে তোমালোকে ইয়াৰ বাবে উপযুক্ত লোকৰ নাম বাছনি কৰি মোক দিয়া। সেয়ে বাৰজন লোকক নিৰ্বাচিত কৰি দিয়া হৈছিল আৰু তেখেত (ছাঃ)য়ে সেয়া অনুমোদন দিছিল। এই বাৰজন লোকক এজন এজন কৰি কবিলাৰ মুখ্য পৰিচালক নিযুক্তি কৰি

সিহঁতৰ দায়িত্ব ভাৰ অৰ্পন কৰি দিছিল ।আকৌ কোনো কোনো কবিলাৰ নিমিত্তে দুজনকৈ পৰিচালক নিযুক্ত কৰিছিল। যেতিয়া এই নিযুক্ত পৰ্ব শেষ হৈছিল তেতিয়া হজৰত আববাছ বিন আব্দুল মোত্তালিবে আনছাৰ সকলক কৈছিল যে বৰ সাৱধানেৰে কাম কৰিব লাগিব। কাৰণ কুৰাইছ গুপ্তচৰ সষ্টম হৈ আছে। এনেকুৱা যাতে নহয় যে এইবোৰ কথাৰ খবৰ সদৰি হৈ পৰে। বাকীখিনি অহা জুমাত আপোনালোকৰ সন্মুখত প্ৰদান কৰা হব ।(আমিন)

***********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 20 DEC. 2019**

**(BOOK POST PARINTED MATTER)**

**To** ------------------------------------------------------------------------

------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**